অসম চৰকাৰ
জিলা দণ্ডাধীশৰ কাৰ্য্যালয় ঃঃ দৰং ঃঃ মঙ্গলদৈ
[প্ৰশাসন শাখা]

Tel : 03713-222135 / Email –dc-darrang@nic.in / web: http:www.darrang.nic

নং : ডি এ এন - ৬/২০২০/৬ তাৰিখ :- ১১/০৩/২০২০ ।

# গোহাৰি

সকলো বন্দুক অনুজ্ঞাপত্ৰধাৰী লোকৰ জ্ঞাতাৰ্থে জনোৱা হয় যে ঃ-

১) ভাৰত চৰকাৰৰ দ্বাৰা ৰাজপত্ৰত প্ৰকাশিত **The Arms (Ammendment) Act, 2019, No. 48 of 2019** অনুযায়ী বন্দুকৰ অনুজ্ঞা পত্ৰ সমূহৰ নবীকৰণৰ সময় ৩ (তিনি) বছৰৰ সলনি ৫ (পাঁচ) বছৰ কৰা হৈছে।

২) উক্ত আইনৰ ধাৰা ৩ (১) মতে এজন ব্যক্তিয়ে মাত্ৰ দুটি বন্দুক ৰাখিব পাৰিব। তাতোধিক বন্দুক এই আইন ঘোষাণা হোৱাৰ পৰাই অবৈধ বুলি গন্য কৰা হ'ব। গতিকে দৰঙ জিলাৰ জিলা দণ্ডাধীশৰ দ্বাৰা গৃহিত অনুজ্ঞাপত্ৰ ধাৰী তেনে ব্যক্তিক হাতত থকা দুটাতকৈ অধিক বন্দুক এই ঘোষনাৰ এমাহৰ ভিতৰত সংশ্লিষ্ট থানাত জমা দি জমা দিয়া ৰচিদ সহ মূল অনুজ্ঞা পত্ৰ সংশোধনৰ বাবে দৰং জিলা দণ্ডাধীশৰ কাৰ্যালয়ৰ প্ৰশাসন শাখাত জমা দিবলৈ জনোৱা হ'ল। অন্যঠাই আইন মতে ব্যৱস্থা লোৱা হ'ব।

৩) ইয়াৰ উপৰিও কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশ অনুযায়ী, সকলো বন্দুক অনুজ্ঞাপত্ৰ ধাৰী লোকৰ জ্ঞাতাৰ্থে জনোৱা হয় যে, সকলো অনুজ্ঞাপত্ৰ প্ৰাধিকাৰীৰ ক্ষেত্ৰতে **NDAL (National Database on Arms Licence)** বাধ্যতামুলক আৰু চৰকাৰৰ ইং ০৭/০৮/২০১৫ তাৰিখৰ এইচ এম এম ২২/২০১২/২৭৬ মতে আৰু লগতে ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়ৰ ২৪/০৭/২০১২ তাৰিখৰ অধিসূচনা নং জি এছ আৰ ৫৮৫ (ই) অনুসৰি **UIN (Unique Identification Number)** অবিহনে কোনো বন্দুকৰ অনুজ্ঞাপত্ৰকে বৈধ বুলি গণ্য কৰা নহয়। চৰকাৰৰ পুনৰ বিশেষ নিৰ্দ্দেশ যোগে যিসকল বন্দুক অনুজ্ঞাপত্ৰধাৰীয়ে এতিয়ালৈকে **UIN (Unique Identification Number)** সৃষ্টি কৰা নাই তেওঁলোকৰ **UIN** সৃষ্টি বাবে সময় বঢ়াই দি নিৰ্দ্দেশ জাৰি কৰিছে।

সেয়েহে দৰং জিলাৰ সকলো অনুজ্ঞাপত্ৰধাৰী লোককে দৰং জিলাৰ জিলা দণ্ডাধীশৰ কাৰ্যালয়ৰ প্ৰশাসন শাখালৈ গৈ ইং ৩১/০৫/২০২০ তাৰিখৰ ভিতৰত তেওঁলোকৰ সংশ্লিষ্ট **UIN (Unique Identification Number)** সৃষ্টি কৰিবলৈ ইয়াৰে জনোৱা হ'ল, অন্যথা অনুজ্ঞাপত্ৰৰ ম্যাদ স্বয়ংক্ৰিয় ভাবে খাৰিজ হ'ব।

স্বাক্ষৰ/-ঘনশ্যাম দাস, ভাঃপ্ৰঃসেঃ
জিলা দণ্ডাধীশ, দৰং,
মঙ্গলদৈ

স্মাৰক নং : ডি এ এন - ৬/২০২০/৬ ক তাৰিখ : ১১/০৩/২০২০ ।
প্ৰতিলিপি জ্ঞতাতাৰ্থে আৰু কাৰ্যকৰণাৰ্থে প্ৰেৰণ কৰা হ'ল:-

১/ আৰক্ষী অধীক্ষক, দৰং, মঙ্গলদৈ,
২/ জিলা তথ্য আৰু জন সম্পৰ্কৰক্ষী বিষয়া, দৰং, মঙ্গলদৈ। তেখেতে FLS যোগে আৰু স্থানীয় সংবাদ পত্ৰত প্ৰচাৰৰ ব্যৱস্থা ল'ব।
✓৩/ জিলা তথ্য বিষয়া, NIC, দৰং জিলা দণ্ডাধীশৰ কাৰ্যালয়। তেখেতে website যোগে প্ৰচাৰৰ ব্যৱস্থা ল'ব।
৪/ দৰং জিলাৰ সকলো থানাৰ ভাৰপ্ৰাপ্ত বিষয়ালৈ।
৫/ সম্পাদক, মঙ্গল বাতৰি, মঙ্গলদৈলৈ প্ৰচাৰৰ বাবে,
৬/ জাননী ফলক, উপায়ুক্তৰ কাৰ্যালয় আৰু দৰং জিলাৰ সকলো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়।

অতিৰিক্ত জিলা দণ্ডাধীশ,
দৰং, মঙ্গলদৈ

Scanned with CamScanner